**কৃষক ৰাইজলৈ গোহাৰি**

আমাৰ এই ‘ঘৰে - পথাৰে’ পত্ৰিকাখনিৰ ই-সংস্কৰণ মুকলি কৰা হৈছে। গতিকে কৃষক ৰাইজে আমাৰ ৱেব চাইট www.aau.ac.in লগ অন কৰি ‘ঘৰে-পথাৰেৰ’ ই-সংস্কৰণৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

মুখ্য সম্পাদক
‘ঘৰে-পথাৰে’
সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

# ঘৰে-পথাৰে

পষেকীয়া কৃষি পত্ৰিকা

অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

**এই সংখ্যাত আছে -**

| বিষয় | পৃষ্ঠা |
|---|---|
| ☐ গাহৰি পোৱালীৰ ল’ৰ লগা .. | ২ |
| ☐ পেট আৰু মুখমণ্ডলৰ ৰোগ .. | ২ |
| ☐ গাখীৰতী পশুধনৰ ওহাৰ .. | ২ |
| ☐ আমাৰ একাষাৰ .. .. . | ৩ |
| ☐ মাহটোৰ কৃষিকৰ্ম .. .. .. | ৩ |
| ☐ উদ্যান শস্য .. .. .. | ৩ |

☐ ৪৫ তম্ বছৰ ☐ ষষ্ঠ সংখ্যা ☐ ১৬ মাৰ্চ - ২০২৪ ☐ ১ - ১৫ চ’ত, ১৯৪৫ শক ☐ মূল্য - ১.০০ টকা GHARE - PATHARE PMG - 19 of 2005 - 06

## কেন্দ্ৰীয় মন্ত্ৰী কৈলাশ চৌধুৰীৰ ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন

যোৱা ৪ মাৰ্চ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী কৈলাশ চৌধুৰীয়ে চিমেন চাপৰিস্থিত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন কৰে। প্ৰায় পাঁচ শতাধিক কৃষক উপস্থিত থকা আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° মনোৰঞ্জন নেওগে আঁত ধৰা ৰাজহুৱা সভাত কেন্দ্ৰীয় ৰাজ্যিক কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰীগৰাকীয়ে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান দেশৰ ভিতৰত মাত্ৰ তিনিখন, ইয়াৰে এখন নতুন দিল্লীত, এখন ঝাৰখণ্ডত আৰু এখন অসমৰ ধেমাজি জিলাৰ গোগামুখত বুলি উল্লেখ কৰি ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ জৰিয়তে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবে কৃষি গৱেষকসকলে গৱেষণা কৰাৰ সুযোগ-সুবিধা লাভ কৰিব বুলি বক্তব্য ৰাখি ২০১৩ চনত দেশৰ কৃষিজাত সামগ্ৰীৰ উৎপাদন ২৫০ মেট্ৰিক টন আছিল বুলি মন্তব্য কৰে। তেওঁ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষি আৰু কৃষকৰ উন্নয়নৰ বাবে লোৱা বিজ্ঞানসন্মত পদক্ষেপৰ বাবে বৰ্তমান ইয়াৰ পৰিমাণ ৩৩০ মেট্ৰিক টনলৈ বৃদ্ধি পাবলৈ সক্ষম হৈছে বুলি বক্তব্য ৰাখি কৃষি বিজ্ঞান কেন্দ্ৰসমূহক আধুনিকীকৰণ কৰি উদ্যান শস্যৰ উৎপাদন, অৰ্গেনিক সামগ্ৰী উৎপাদন, পশুপালন আদি কৃষি ক্ষেত্ৰৰ সৈতে জড়িত কৰ্মসমূহত যুৱচামক উদগণি দিয়াৰ বাবে চৰকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিছেবুলি উনুকিয়াই কেন্দ্ৰীয় ৰাজ্যিক কৃষি মন্ত্ৰীগৰাকীয়ে পুনৰ কয়– এতিয়া অসম তথা উত্তৰ-পূৰ্বৰ কৃষি বিজ্ঞানীসকলে নতুন দিল্লীত আৰু দিল্লীৰ কৃষি



*চিমেন চাপৰিস্থিত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শনকালত কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী কৈলাশ চৌধুৰীয়ে ভাষণ প্ৰদান কৰা মঞ্চত অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° মনোৰঞ্জন নেওগ প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তিসকল*

বিজ্ঞানীসকলে অসমত গৱেষণা কৰি কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবে বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হ’ব বুলি কৈ কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজিৰ আন্তঃগাথনিৰ উন্নয়নৰ বাবে সকলো সুবিধা আগবঢ়াবলৈ প্ৰয়াস চলাব বুলি আশ্বাস প্ৰদান কৰি কৃষি বিজ্ঞানীসকলক উদ্ভাৱনী চিন্তাৰে কাম কৰি কৃষি ক্ষেত্ৰৰ আমূল পৰিৱৰ্তন আনিবলৈ আহ্বান জনোৱাৰ লগতে কৃষকসকলকো কৃষি ক্ষেত্ৰত অধিক মনোনিৱেশ কৰি স্বাৱলম্বী হ’বলৈ আহ্বান জনায়। লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানত অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সঞ্চালক ড° কাদ্ৰিভেল গোবিন্দ স্বামী, জোনাইৰ বিধায়ক ভুবন পেগু, ধেমাজি জিলাৰ আয়ুক্ত অংকুৰ ভৰালী, কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজিৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° গুঞ্জন গগৈ বিষয়বস্তু বিশেষজ্ঞা নীলাক্ষী ভূঞা, অভিলাসা বৰঠাকুৰ, ড° বিনীতা কোঁৱৰ, ডাঃ প্ৰজ্বলিতা পাঠক, ভূপেন দাফলাৰী, মিচিং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মলেন্দ্ৰ নাৰ্জাৰী, ভৱানী দুৱৰা, ধেমাজি জিলা বিজেপিৰ উপ-সভানেত্ৰী ৰাণু গগৈ প্ৰমুখ্যে কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## টৰিয়া-সৰিয়হৰ পথাৰ দিৱস পালন

যোৱা ৬ মাৰ্চ তাৰিখে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁও জিলাৰ চিলঙনীস্থিত মাণ্ডলিক গৱেষণা কেন্দ্ৰ আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অন্তৰ্গত ৰাজস্থানৰ ভাৰতপুৰস্থিত সৰিয়হৰ গৱেষণা সঞ্চালকালয়ৰ যুটীয়া সহযোগত ১.১৮ কোটি টকা পুঁজিৰে পৰিচালিত টৰিয়া-সৰিয়হৰ মূল্য শৃংখল বৃদ্ধিৰ মেগা প্ৰজেক্টৰ অংশৰূপে নগাঁও জিলাৰ কুমাৰটোপ-বালিগাঁওত এখনি পথাৰ দিৱস কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসমত বিজ্ঞানভিত্তিক খেতিৰ প্ৰসাৰৰ জৰিয়তে টৰিয়া-সৰিয়হৰ মূল্য শৃংখল বৃদ্ধিৰ মেগা প্ৰজেক্টৰ বাবে অসমৰ বিছখন জিলাৰ ৩০০ বিঘাকৈ পথাৰক সামৰি মুঠ ৬০০০ বিঘা মাটিত টৰিয়া-সৰিয়হৰ উন্নত জাতৰ প্ৰদৰ্শনীমূলক খেতি কৰা হৈছে। তদুপৰি, নগাওঁ জিলাৰ আন ৬০০ বিঘা পথাৰত সৰিয়হজাতীয় শস্যৰ গাওঁ হিছাপে গঢ়ি তোলাৰ সংকল্প লোৱাৰ ফলত সৰ্বমুঠ ৬৯০০ বিঘা কৃষিভূমিত টৰিয়া-সৰিয়হৰ খেতিৰে হালধীয়া বিপ্লৱৰ পথ প্ৰশস্ত হৈছে। ইয়াৰ বাবে ২০ কুইন্টল পি এম ২৮ নামৰ সৰিয়হৰ উন্নত বীজ আৰু বাকী ৪৯ কুইন্টল টি এচ ৩৮ নামৰ টৰিয়াৰ উন্নত জাতৰ বীজ ব্যৱহাৰ কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ চিলঙনী, তিতাবৰ, তিনিচুকীয়া, বুঢ়ালিক্‌চন, লখিমপুৰ, কাঁহিকুছি,

(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)

সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ বস্ত্ৰ আৰু সাজপাৰ ৰূপাংকণ বিভাগৰ উদ্যোগত

## ৰাষ্ট্ৰীয় সাজ-পাৰ দিৱস উদযাপন

গ্ৰাম্য সজাগতা কৰ্ম অভিজ্ঞতা আঁচনিৰ অধীনত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ বস্ত্ৰ আৰু সাজপাৰ ৰূপাংকণ বিভাগৰ চতুৰ্থ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বিনিতা বৈশ্য কলিতা, ড° নৱনিতা গগৈ, সহকাৰী অধ্যাপিকা ড° সুনিতা বৰুৱা আৰু ড° স্মীতা ভূঞাৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰ, টিয়কৰ তত্ত্বাৱধানত যোৱা ৬ মাৰ্চ তাৰিখে টিয়কৰ পুৰণি মটিয়া চাপৰি গাঁৱত “ৰাষ্ট্ৰীয় সাজ-পাৰ দিৱস” পালন কৰা হয়। অনুষ্ঠানটিত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয় বস্তু বিশেষজ্ঞা ড° তৃষ্ণালী শইকীয়াৰ লগতে মহাবিদ্যালয়ৰ গ্ৰাম্য সজাগতা কৰ্ম অভিজ্ঞতা আঁচনিৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানটিত আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি গাঁৱৰ মহিলাসকলৰ মাজত

(৪ পৃষ্ঠাৰ ৪ কলমত চাওক)

ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ নাৰী দিৱস

## ডোগৰমোখাক আই চি টি সক্ষম গাঁও হিচাপে ঘোষণা

ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত যোৱা ৮ মাৰ্চ তাৰিখে ডোগৰমোখা গাঁৱত নাৰী দিৱস উদ্‌যাপন কৰা হয়। গাঁওখনৰ কৃষি উন্নয়ন, খাদ্য সুৰক্ষা আৰু ঘৰুৱা ব্যৱস্থাপনাৰ ক্ষেত্ৰত মহিলা কৃষকৰ গুৰুত্বপূৰ্ণ ভূমিকা আলোকপাত কৰাৰ উদ্দেশ্যে উদযাপন কৰা এই দিৱসত ‘ডোগৰমোখা’ গাঁওখনক অধিক উন্নয়নৰ বাবে আই চি টি সক্ষম গাঁও হিচাপে ঘোষণা কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত প্ৰণৱেশ বৰ্মনে কৃষি উন্নয়নৰ বাবে আই চি টি সজুলি ব্যৱহাৰৰ উপকাৰিতাৰ বিষয়ে কয়। ওদালগুৰি অসামৰিক চিকিৎসালয়ৰ ডায়েটিচিয়ান মুক্তমালা ফুকনে পৰিয়ালৰ সকলো লোকৰ বাবে সুষম খাদ্য ওপৰত গুৰুত্ব আৰোপ কৰি শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে সু স্বাস্থ্য অতি গুৰুত্বপূৰ্ণ বুলি কয়। বিজ্ঞানী ড° হিমাদ্ৰী ৰাভাই মহিলা

(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)

অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত

## মূল্য সংযোজন আৰু প্ৰক্ৰিয়াকৰণৰ ওপৰত প্ৰশিক্ষণ সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত শাক-পাচলি আৰু বাঁহগাজৰ মূল্য সংযোজন আৰু প্ৰক্ৰিয়াকৰণৰ ওপৰত যোৱা ১-৪ মাৰ্চলৈ এক তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হৈ যায়। অসমৰ স্থানীয় সম্প্ৰদায়ৰ জীৱিকা উন্নত কৰাৰ বাবে গ্ৰহণ কৰা এই প্ৰশিক্ষণৰ প্ৰথম দিনা অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী অধ্যাপক ড° পংকজ বৰুৱা প্ৰমুখ্যে আন আন প্ৰশিক্ষকসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত কৰা হয়। সৰ্বভাৰতীয় সমন্বিত কৃষি গৱেষণা প্ৰকল্পৰ অধীনত আয়োজিত এই প্ৰশিক্ষণত বিজ্ঞানসন্মত পদ্ধতিৰে বাঁহগাজ আৰু লাই-পালেং আদি সেউজীয়া শাক-পাচলিৰ মূল্য সংযোজন

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

## ব্যৱসায়িক ভিত্তিক নাৰ্ছাৰীৰ বৃত্তিমূলক প্ৰশিক্ষণ সম্পন্ন

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কাঁহিকুছিস্থিত কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰত যোৱা ১৫-২০ ফেব্ৰুৱাৰীলৈ নাৰ্চাৰীৰ বৃত্তিমূলক পাঁচদিনীয়া প্ৰশিক্ষণ সম্পন্ন হৈ যায়। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° ধীৰেন্দ্ৰনাথ কলিতাই উদ্বোধনী ভাষণত নাৰ্ছ্বৰীৰ জৰিয়তে কিদৰে স্বাৱলম্বী হ’ব পাৰে, সেই বিষয়ে আলোকপাত কৰে। এই প্ৰশিক্ষণটিত উদ্যান শস্য বিশেষজ্ঞা ড° দৰদী প্ৰিয়ম দুৱৰাই প্ৰশিক্ষণটিৰ পাঁচদিনীয়া কাৰ্যসূচীৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰটোৰ ইলাক্ষী ডেকা, অৰূপ কুমাৰ শৰ্মা আদি উপস্থিত থাকে। প্ৰশিক্ষণত উদ্যান শস্য

(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)

# গাহৰি পোৱালীৰ লব লগা যতন

গাহৰি পালন অসম তথা উত্তৰ পূৰ্বাঞ্চলত অতীজৰে পৰা বহুলভাৱে প্ৰচলিত হৈ আহিছে। এজনী গাহৰিয়ে এবাৰত ৮-১০ টালৈ পোৱালী জন্ম দিয়ে। অন্য জীৱ-জন্তুৰ তুলনাত গাহৰিৰ বাঢ়ন ক্ষমতা বেছি আৰু গাহৰি পালকজনে অতি কম সময়ত বেছিকৈ লাভবান হয়। জন্মৰ পৰা চালুকীয়া অৱস্থালৈ আমি গাহৰি পোৱালীৰ বিশেষ যত্ন লব লাগে। এই সময়ছোৱাত প্ৰতিপালকে ভালকৈ যতন ললে পোৱালীৰ মৃত্যুৰ সংখ্যা কম কৰিব পাৰি লগতে নিৰোগী হৈ থাকিলে পোৱালীৰ স্বাস্থ্যৰ উন্নতি হয়।

**পোৱালীৰ দিয়াৰ সময়ত লব লগা যতনঃ** পোৱালী জন্ম দিয়াৰ ৭-৮ দিন মান আগতে গাভিনী গাহৰিজনী এটা আচুতীয়া কোঠাত ৰাখিব লাগে। কোঠাটো বীজাণুনাশক দ্ৰব্যৰে পৰিষ্কাৰ কৰি মজিয়াত শুকান ধানখেৰ পাৰি দিব লাগে। পোৱালীৰ দিয়াৰ সময়ত পালকজন ওচৰত থাকিব লাগে। পোৱালী জন্ম দিয়াৰ পিছত গৰ্ভৰ পৰা ওলোৱা জলখন গাহৰিজনীৰ পৰা আঁতৰ কৰিব লাগে আৰু মাটিত পুতি পেলাব লাগে। পোৱালী জন্ম দিয়াৰ দিনা মাকজনীক পৰিষ্কাৰ পানী খুৱাব লাগে তথা অতি কম পৰিমাণৰ দানা দিব লাগে। পোৱালী জন্ম দিয়াৰ পিছত পালকজনে পোৱালীবোৰক গাখীৰ খোৱাত সহায় কৰি দিব লাগে। গাহৰিজনীক আৱশ্যকীয় ২.২৫ কিঃগ্ৰাঃ দানাৰ লগত প্ৰতিটো পোৱালীৰ বাবে অতিৰিক্ত ২০০ গ্ৰাম দানা প্ৰতিদিনে খুৱাব লাগে।

**সদ্যোজাত পোৱালীৰ যতন ঃ**

১) পোৱালীৰ জন্মৰ লগে লগে পালকজনে পোৱালীৰ গা, কাণ আদিত লাগি থকা বিজলুৱা পদাৰ্থবোৰ শুকান পৰিষ্কাৰ কাপোৰেৰে ভালকৈ চাফা কৰি দিব লাগে। পোৱালীবোৰক মাকৰ গাখীৰ খাবলৈ সহায় কৰি দিয়া উচিত।

২) পোৱালীৰ নাড়ীডাল নাভিৰ পৰা ২.৫ চে.মি. দূৰত্বত পৰিষ্কাৰ কেচিৰে কাটি আয়ডিন লগাই বীজাণুমুক্ত কৰিব লাগে।

৩) পোৱালীবোৰক ঠাণ্ডাৰ দিনত উপযুক্ত পোহৰ আৰু গৰমৰ ব্যৱস্থা কৰিব লাগে।

৪) জন্মৰ ৪-৫ ঘন্টাৰ ভিতৰত পোৱালীৰ বেজীদাঁত কাটিব লাগে আৰু আয়ডিন লগাই দিব লাগে। বেজীদাঁত নাকাটিলে মাকৰ গাখীৰ দিয়া বাটত আঘাত পাব পাৰে। লগতে পোৱালীবোৰৰ মাজত কাজিয়া হ'লে ৰক্তক্ষৰণ হোৱা দেখা যায়।

৫) বন্ধ কোঠলিত ৰখা গাহৰি পোৱালীক জন্মৰ ৪ দিন আৰু ১৪ দিনত আয়ৰণ বেজী দিব লাগে।

৬) পোৱালীবোৰক জন্মৰ ২৫ দিন বয়সত পেলুৰ দৰৱ খুৱাব লাগে।

৭) পোৱালীবোৰক জন্মৰ এমাহ বয়সত ছোৱাইন ফিভাৰ আৰু এফ. এম. ডি. টিকা দিব লাগে। জন্মৰ দুমাহ বয়সত বুষ্টাৰ ড'জ আৰু প্ৰতি ছয়মাহৰ অন্তৰালত গাহৰিবোৰক টিকা দিব লাগে।

৮) প্ৰজননৰ বাবে ভাল মতা পোৱালী নিৰ্বাচন কৰি অতিৰিক্ত মতা পোৱালীবোৰ খাহী কৰিব লাগে। জন্মৰ ১০ দিনৰ পৰাই খাহী কৰিব পাৰি। কম বয়সত খাহী কৰিলে কষ্ট কম হয়, ৰক্তক্ষৰণ কম হয়, ঔষধৰ খৰচ কম হয় তথা কটা ঘাঁ খিনি সোনকালে শুকাই যায়।

৯) পোৱালী জন্মৰ ২-৩ সপ্তাহৰ পৰা ২০% প্ৰটিনযুক্ত খাদ্য যোগান ধৰিব লাগে।

১০) মাকৰ পৰা পোৱালী ৪২ দিন বয়সত পৃথক কৰা হয়। এই ক্ষেত্ৰত মাকজনী পোৱালী কেইটাৰ পৰা আঁতৰ কৰি নিব লাগে। পোৱালীবোৰ এসপ্তাহ মান একেলগে ৰাখিব লাগে।

১১) মাকৰ পৰা পৃথক কৰা সময়ত পোৱালীবোৰক চিনাক্তকৰণৰ বাবে কাণফুলি(কাণৰ টেগ) পিন্ধাব লাগে। কাণফুলিত প্ৰতিটো পোৱালীৰ নিজৰ নম্বৰ লিখা থকা উচিত। ইয়াৰ দ্বাৰা পোৱালীটোৰ মাক-বাপেক, জন্মৰ তাৰিখ আদি লাগতিয়াল তথ্যবোৰ অতি সহজতে গম পাব পাৰি।

**ড° নিপু ডেকা, ড° অৰুন্ধতী ফুকন**
**ড° দেৱজিৎ ডেকা**

# পেট আৰু মুখ মণ্ডলৰ ৰোগ প্ৰতিৰোধত বনৌষধৰ ভূমিকা

গ্ৰীষ্মকালত সাধাৰণতে আমাৰ পাকস্থলী, যকৃত ছাল আদিত বিভিন্ন ৰোগে দেখা দিয়ে। ইয়াৰ ভিতৰত পিত্ত, গ্ৰহণী, পেলু, যকৃত আদিৰ ৰোগ, শালমইনা, চকু ৰঙা পৰা আদি বেছিকৈ হোৱা দেখা যায়। এইপ্ৰায়বিলাক ৰোগেই পৰিষ্কাৰ-পৰিচ্ছন্নতা, খাদ্যাভাস আদিৰ দ্বাৰা প্ৰতিৰোধ আৰু নিৰাময় কৰিব পাৰি। সহজলভ্য বিভিন্ন বনৌষধৰ দ্বাৰাও এই ৰোগসমূহৰ পৰা আৰোগ্য লাভ কৰিব পৰা যায়। পেট আৰু মুখত হোৱা প্ৰধান কেইবিধমান ৰোগ সাধাৰণ বনৌষধিৰ দ্বাৰা কেনেদৰে আৰোগ্য কৰিব পৰা যায়, সেই সম্পৰ্কে তথ্য সংগ্ৰহ কৰি চমুকৈ উল্লেখ কৰা হৈছে।

**(ক) পেটৰ ৰোগ ঃ-**

১) **পিত্ত ৰোগ ঃ**

◆ক'লা হালধিৰ ৰস আৰু শিলিখাৰ ৰস মিশ্ৰণ কৰি দিনে দুবাৰকৈ এসপ্তাহ খালে ৰোগী সম্পূৰ্ণ আৰোগ্য হয়।

◆দহচীয়া অমিতা টুকুৰা টুকুৰ কৰি তেল-নিমখ, মা-মছলা আদি নিদিয়াকৈ ভাজি ১৫ দিন খালেও এই ৰোগ ভাল হয়।

২) **শাওঁ গ্ৰহণী ঃ**

◆অমৰা থেতালি পানীত প্ৰায় ৬ ঘন্টা তিয়াই সেই পানী খালে শাওঁ গ্ৰহণী সম্পূৰ্ণ ভাল হয়। এনেদৰে এপালি খাব লাগে।

◆ কেচা ভীমকল টুকুৰা টুকুৰ কৰি কাটি এটা বাতিত অলপ পানী লৈ এৰাতি তিয়াই ৰাখি পিছদিনা ৰাতিপুৱা খালে শাওঁ গ্ৰহণীৰ পৰা উপশম পোৱা যায়। এনেদৰে তিনিপালি খাব লাগে।

৩) **পেলু ঃ**

◆ভেট ফুলৰ শিপা মৌৰ সৈতে খালে পেলু মৰে।

◆অপৰাজিতাৰ ফুল আৰু এৰা গুটিৰ ৰস মিশ্ৰণ কৰিও খাব পাৰি।

৪) **যকৃত ৰোগ ঃ**

◆নহৰু আৰু পটলৰ শিপা খুন্দি প্ৰলেপ দিলে যকৃত বাঢ়িলে ভাল হয়।

৫) **শৌচ কঠিন ৰোগ ঃ**

◆শৌচ কঠিন ৰোগত পকা অমিতা খালে শৌচ লগে লগে স্বাভাৱিক অৱস্থালৈ আহে।

◆কেঁচা অমিতাও তৰকাৰী হিচাপে খাব পাৰি।

৬) **অতিসাৰ ৰোগ ঃ**

◆শিলিখা আৰু পিপলি একেলগে খুন্দি পানীৰ লগত মিশ্ৰণ কৰি গৰম কৰিব লাগে। গৰম কৰা ৰস একেৰাহে তিনি পালি খালে অতিসাৰ ৰোগ ভাল হয়।

◆ডালিম, বেল, টেঙেচি টেঙা আৰু চুকা শাক এই ৰোগৰ বাবে উপকাৰী।

*(৪ পৃষ্ঠাৰ ৫ কলমত চাওক)*

# গাখীৰতী পশুধনৰ ওহাৰ ফুলা ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ

মেষ্টাইটিছ বা ওহাৰ ফুলা ৰোগ হ'ল খীৰতী গৰু, ম'হ বা ছাগলীৰ ওহাৰৰ প্ৰদাহ। দুগ্ধ উৎপাদনকাৰী পামৰ বাবে এই ৰোগ অতিকৈ ভয়ংকৰ। কাৰণ এই ৰোগৰ প্ৰভাৱ যে কেৱল দুগ্ধ উৎপাদনৰ ওপৰতেই পৰে এনে নহয়, এই ৰোগত আক্ৰান্ত গাইজনীয়ে ভৱিষ্যতলৈও গাখীৰ উৎপাদন কৰিব নোৱাৰা হয়। এই ৰোগত আক্ৰান্ত গৰুৰ ওহাৰখনৰ একাংশ বা গোটেই ওহাৰখন ৰঙা পৰি ফুলি উঠে আৰু টান হৈ পৰে। অত্যন্ত বিষত পশুটিৰ জ্বৰ উঠে আৰু ওহাৰখন চুবলৈ নিদিয়া হয়। এই ৰোগৰ চিকিৎসা অনতিপলমে নকৰিলে পশুধনটি ভৱিষ্যতলৈ দুগ্ধ উৎপাদন কৰিব নোৱাৰা হৈ পৰে। কোনো কোনো সময়ত মৃত্যুমুখতো পৰে। গতিকে অৰ্থনৈতিক দিশৰ পৰা দুগ্ধ পামবোৰৰ বাবে ই অতিকৈ গুৰুত্বপুৰ্ণ বুলি বিবেচিত হৈছে। দুগ্ধ উৎপাদনকাৰী পশুধনসমুহৰ প্ৰতিপালনত যেতিয়া পৰিষ্কাৰ পৰিচ্ছন্নতালৈ গুৰুত্ব দিয়া নহয়, তেতিয়াই এই ৰোগৰ সম্ভাৱনা বাঢ়ি যায়।

এই ৰোগৰ কাৰণ এটা নহয়। ৰোগৰ কাৰণ একাধিক হোৱাৰ বাবে এই ৰোগ প্ৰতিৰোধ কৰাটো কঠিন যদিও পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু বিজ্ঞানসন্মত প্ৰতিপালন পদ্ধতিৰে এই ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি। ওহাৰ ফুলা ৰোগ, একোখন দুগ্ধ পামৰ বাবে আটাইতকৈ খৰচী ৰোগ হিচাপে পৰিগণিত হৈছে। এই ৰোগৰ ৭০% কাৰণ বেৰেীয়া, ২% ভেঁকুৰ আৰু ২৮% শাৰীৰিক আঘাট বা চাপৰ বাবেও হয় বুলি ঠাৱৰ কৰা হৈছে।

**ওহাৰ ফুলা ৰোগৰ প্ৰধান কাৰণসমূহ হৈছে -**

১) পামখনত চাফ-চিকুণতাৰ অভাৱ।

২) ওহাৰত বা ওহাৰৰ বাটত পোৱা আঘাট।

৩) দুৰ্বল ৰোগ প্ৰতিৰোধ ক্ষমতা।

৪) প্ৰয়োজনীয় পৰিপুষ্টিৰ অভাৱ।

৫) ভূল দুগ্ধ নিষ্কাষণ (গাখীৰ খিৰোৱা) পদ্ধতি।

৬) দুগ্ধ পান কঁৰোতে পোৱলীৰ দাতেঁৰে ওহাৰত লগা ঘাঁ/আঘাট।

৭) ভিটামিন এ, ভিটামিন ই, কপাৰ, জিংক, ছেলেনিয়াম আদি খনিজ লৱণৰ অভাৱ।

৮) অতি বেছি গৰম বা অতি বেছি শীত।

৯) গোহালিৰ লেতেৰা/অপৰিস্কাৰ মজিয়া।

১০) অনবৰতে তিতি/ভিজি থকা গোহালিৰ মজিয়া।

১১) গোহালিৰ তেনেই ওচৰতে পেলোৱা গোবৰৰ দ'ম।

১২) এইবিলাকৰ উপৰিও ভাইৰাছজনিত বিভিন্ন ৰোগ যেনে- চবকা, গো-বসন্ত, ছালৰ টেমুনা বন্ধা ৰোগ আদিৰ পিছতো কেতিয়াবা ওহাৰ ফুলা ৰোগ দেখা যায়।

ওহাৰ ফুলা ৰোগ সৃষ্টি কৰা বেক্টেৰীয়াসমূহৰ ভিতৰত ষ্টেফাইল'কক্কাছ, মাইক'বেক্টেৰীয়াম, ই-কলাই, কৰাইনিবেক্টেৰিয়াম, ক্লেবছিয়েল্লা, ষ্ট্ৰেপ্তকক্কাছ, নকাৰডিয়া আদি প্ৰধান।

ৰোগৰ তীব্ৰতা আৰু সংবেদনশীলতাৰ ওপৰত নিৰ্ভৰ কৰি এই ৰোগক দুভাগত বিভক্ত কৰা হৈছে-

১) একিউট মেষ্টাইটিছ

২) ক্ৰনিক মেষ্টাইটিছ

একিউট মেষ্টাইটিছ হ'লে ৰোগটো তীব্ৰ ৰূপত প্ৰকাশ পায়। এনে অৱস্থা হঠাতে সৃষ্টি হয় তীব্ৰ জ্বৰ, ভোক নলগা, গৰম আৰু বিষযুক্ত ফুলা ওহাৰ, দুগ্ধ উৎপাদন হঠাতে কমি যোৱা, ফটা বা পনীয়া গাখীৰ, গাখীৰৰ ৰং সলনি হোৱা আদি লক্ষণ দেখা পোৱা যায়। এনে অৱস্থাত ততালিকে চিকিৎসা নকৰিলে, তেজৰ সংক্ৰমণ হোৱাৰ ফলত মৃত্যুও হ'ব পাৰে।

যেতিয়া এই ৰোগৰ তীব্ৰতা কম হয় আৰু চিকিৎসা কৰা নহয়, তেনেক্ষেত্ৰত এই ৰোগে ক্ৰনিক ৰূপ লয়। এনে অৱস্থাত পশুধনটিৰ শৰীৰত জ্বৰ নেথাকে, স্বাভাৱিকভাৱেই খোৱা-বোৱা বা চলাফুৰা কৰে, কিন্তু গাখীৰৰ উৎপাদন একেবাৰেই কমি যায়। দৈৰ দৰে ফটা গাখীৰ ওলায়, গাখীৰ বীজলুৱা বা এঠা এঠা হ'ব পাৰে, ওহাৰখন ক্ৰমাৎ সৰু হৈ যায় আৰু অৱশেষত ওহাৰখনৰ পেশীবিলাক কঠিন হৈ পৰে।

ওহাৰ ফুলা বেমাৰটো চিনাক্ত কৰিবলৈ বিভিন্ন উপায় আছে-

১) সৰ্বপ্ৰথমে, দেখা পোৱা লক্ষণসমূহৰ ওপৰত নিৰ্ভৰ কৰি।

২) পশুচিকিৎসালয়ত আল্ট্ৰাচ'ন'গ্ৰাফীৰ সহায়তো ওহাৰৰ প্ৰদাহৰ পৰিমাপণ আৰু চিনাক্তকৰণ কৰা হয়।

৩) পৰীক্ষাগাৰত গাখীৰৰ নমুনা পৰীক্ষা কৰাইও এই ৰোগৰ উমান পোৱা যায়।

৪) স্বভাৱিক গাখীৰৰ pH ৬.৪-৬.৮ থাকে। যদি গাখীৰৰ নমুনাৰ pH ৭.০ বা তাতকৈ বেছি পোৱা যায় তেন্তে মেষ্টাইটিছ হোৱা বুলি কব পাৰি।

৫) এইবোৰৰ উপৰিও পৰীক্ষাগাৰত বহুতো ৰাসায়নিক পৰীক্ষা কৰিও এই ৰোগ নিৰূপণ কৰিব পৰা যায়।

**চিকিৎসা আৰু বাছি থকাৰ উপায়**

আগতেই উল্লেখ কৰা হৈছে যে এই ৰোগৰ চিকিৎসা অতি ব্যয়বহুল হয়। তদুপৰি এই ৰোগৰ চিকিৎসাৰ বাবে যথেষ্ট সময়ো লাগে আৰু ই অতি কষ্টসাধ্য হয়। ইয়াৰ কাৰণ হ'ল-এই ৰোগ সৃষ্টি কৰা অণুজীৱ বা অন্যান্য কাৰণো বহুতো আৰু প্ৰত্যেকটো কাৰণ এটা অন্যটোৰ পৰা পৃথক। সেইদৰে প্ৰত্যেকৰে চিকিৎসা প্ৰণালীও বেলেগ বেলেগ। গতিকে কোনটো কাৰণৰ বাবে এই ৰোগ হৈছে সেয়া সঠিককৈ নজনাকৈ চিকিৎসা কৰিলে সেয়া ফলপ্ৰসু নহ'বও পাৰে। কোনবিধ বেক্টেৰীয়াই সংক্ৰমণ কৰিছে সেয়া সঠিককৈ গম পোৱাৰ পাছতহে কোনবিধ এন্টিবায়'টিকে কাম দিব সেয়া ঠিৰাং কৰিব পৰা যায় আৰু এই সকলোবোৰ চাই চিতি চিকিৎসা কৰিলেহে সুফল পোৱা যায়।

এই ৰোগত বিভিন্ন প্ৰকাৰৰ এন্টিবায়টিক ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিতৰত এজিথ্ৰ'মাইচিন এমপিচিলিন ইত্যাদিয়েই প্ৰধান। এনে এন্টিবায়'টিকসমুহ ওহাৰত প্ৰত্যক্ষভাৱে প্ৰয়োগ কৰিব পৰাকৈ বিভিন্ন টিউব বা মলমৰ ৰূপত বজাৰত পোৱা যায়। ইয়াৰ লগতে বেজীৰ সহায়তো এই এন্টিবায়'টিক আক্ৰান্ত জন্তুটোৰ শৰীৰত প্ৰয়োগ কৰা হয়।

পশুচিকিৎসকসকলে এন্টিবায়'টিকৰ লগতে পশুটিক অন্যান্য আনুষংগিক ঔষধ যেনে প্ৰদাহৰ বাবে হোৱা বিষ কমাবৰ বাবে বিষ কমোৱাৰ ঔষধ, বিভিন্ন ভিটামিন আদিও দিয়ে যিবোৰে পশুটিৰ বেমাৰ ভাল কৰাৰ লগতে স্বাস্থ্য পুনৰ উদ্ধাৰ কৰি দুগ্ধ উৎপাদন বৃদ্ধি কৰাত সহায় কৰে।

এইখিনিতে এটা অতিকৈ মন কৰিব লগীয়া কথা এই যে ওহাৰৰ প্ৰদাহ এটা অতিকৈ মাৰাত্মক ৰোগ, সেইবাবে পশুপালক সকলে নিজে চিকিৎসা কৰিবলৈ চেষ্টা কৰা উচিত নহয়। ইয়াৰ কাৰণ হ'ল এন্টিবায়টিক বা অন্য ঔষধৰ পৰিমাণ পশুটিৰ

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

আমাৰ একাষাৰ

# উদ্যান শস্যৰ নাৰ্ছাৰীৰ কিছু দিশ

অসমত শিক্ষিত যুৱক-যুৱতীৰ নিবনুৱা সমস্যা সমাধানৰ বাবে উদ্যান শস্যৰ ক্ষেত্ৰখনেই হৈছে এক উৎকৃষ্ট সমাধান সূত্ৰ। অসমৰ মাটি আৰু জলবায়ু বহুতো উদ্যান শস্য খেতিৰ বাবে উত্তম। গতিকে উদ্যান শস্যৰ খেতিৰ সম্ভাৱনীয়তা লগতে বাণিজ্যিক বিকাশৰ সুবিধা অতি বেছি। এই সকলো খেতিৰ বাবে আটাইতকৈ লাগতিয়াল কথা হৈছে উৎকৃষ্ট মানৰ গুটি, পুলি আদি। বৰ্ত্তমান অৱস্থাত শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ স্বাৱলম্বী হোৱাৰ নতুন পথ হৈছে উদ্যান শস্যৰ খেতি কৰা বিশেষকৈ ফুল, ফল-মূল, শাক-পাচলি আদিৰ পুলিবাৰী পাতি পুলি তৈয়াৰ কৰা। এই পুলিবাৰী বা নাৰ্ছাৰী পতাৰ বহুতো সুবিধা আছে যেনে - কম মাটিত অধিক পুলি তৈয়াৰ কৰিব পাৰি। এই নাৰ্ছাৰীৰ বাবে কোনো ধৰণৰ বৃহৎ মূলধনৰ প্ৰয়োজন নাই আৰু পুলি বিক্ৰীৰ বাবে বজাৰৰ অভাৱ নাই। শিক্ষিত যুৱক-যুৱতীসকলে নিজৰ ভৰিৰ ওপৰত থিয় দিয়াৰ উপৰিও নাৰ্ছাৰী পাতি আন দহজনক পেটৰ ভাতমুঠি যোগাৰ কৰিব পৰাকৈ কৰ্মসংস্থাপন দিব পাৰিব আৰু প্ৰয়োজন মাত্ৰ আগ্ৰহ, একাগ্ৰতা আৰু ধৈৰ্য্য।

নাৰ্ছাৰী বৰ্ত্তমান এক লাভজনক ব্যৱসায়। অসমৰ প্ৰায়বিলাক ঠাইতে নাৰ্ছাৰী গঢ় লৈ উঠিছে আৰু বহুসংখ্যকে সফলতাৰ মুখ দেখিছে। অসমৰ উদ্যান শস্যৰ ক্ষেত্ৰৰ প্ৰগতিৰ বাবে সু-সংগঠিত নাৰ্ছাৰী উদ্যোগৰ প্ৰসাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বৰ্ত্তমান অসমত বহুসংখ্যক পঞ্জীয়নভূক্ত নাৰ্ছাৰী আছে। কিন্তু সৰহভাগেই ৰাজ্যৰ বাহিৰৰ নাৰ্ছাৰীৰ পৰা ৰোপণ সামগ্ৰী ক্ৰয় কৰি আনি ব্যৱহাৰ কৰে যাৰ ফলত কিছু সমস্যাই দেখা দিয়ে। যেনে

১) গ্ৰাহকে অধিক মূল্যত ৰোপণ সামগ্ৰী ক্ৰয় কৰিব লাগে।
২) ৰোপণ সামগ্ৰীৰ গুণগত মানদণ্ডৰ অনিশ্চয়তা
৩) বহিঃৰাজ্যৰ পৰা ৰোপণ সামগ্ৰীৰ সৈতে অবাঞ্চিত ৰোগ, কীট-পতঙ্গৰ আগমন।

গুণগত মানৰ ৰোপণ সামগ্ৰী অবিহনে উদ্যান শস্যৰ বিকাশ অসম্ভৱ। অচিনাকী উৎসৰ পৰা সংগৃহীত ৰোপণ সামগ্ৰী বিশেষকৈ বহু বৰ্ষীয় ফল-মূলৰ পুলি ব্যৱহাৰ কৰাৰ কুফল বছৰ বছৰ ধৰি ভূগিব লগীয়া হয়।

ফল-মূলৰ পুলিৰ বাবে নাৰ্ছাৰী একোখনক নিৰ্ভৰযোগ্য উৎস হিচাবে ধৰা হয়। এনেবোৰ নাৰ্ছাৰীত অংগজ প্ৰজনন পদ্ধতিৰে উৎপাদিত পুলি পোৱা যায়। প্ৰত্যেকখন নাৰ্ছাৰীত ফল-মূলৰ একোটা মাতৃগছৰ ব্লক থকাটো বাঞ্চনীয়, যাৰ পৰা কলি, কলম, আগ আদি সংগ্ৰহ কৰি বাডিং, গ্ৰাফটিং, লেয়াৰিং, কাটিং আদি পদ্ধতিৰে পুলি উৎপাদন আৰু বিতৰণ কৰিব লাগে। অসমৰ প্ৰায়বিলাক ঠাইৰ শাক-পাচলিৰ পুলি, ফুলৰ পুলি বজাৰত সহজে পোৱা নাযায়।

পুলিবাৰীত সুস্থ, সবল পুলি কেনেদৰে তৈয়াৰ কৰিব পাৰি তাৰ পদ্ধতিসমূহ তলত বৰ্ণনা কৰা হ'ল।

১) পুলিবাৰী প্ৰস্তুতিৰ কাৰণে এডোখৰ ৰ'দঘাই, ওখ সাৰুৱা মাটি বাচনি কৰিব লাগে।
২) মাটিডোখৰত সৰহ পৰিমাণে পচন সাৰ দি হাল কোৰ বাই মৈয়াই লৈ এক মিটাৰ বহল, ১০-১৫ ছেঃমিঃ ওখ আৰু কৃষকৰ সুবিধা অনুযায়ী দৈৰ্ঘ্যৰ ভেটি তৈয়াৰ কৰিব লাগে।
৩) ভেটিৰ মাটিডোখৰত জন্ম লোৱা বেমাৰৰ পৰা মুক্ত কৰিবৰ বাবে ০.১ শতাংশ কেপটান অথবা বেভিষ্টিন পানীৰ লগত মিহলাই দ'লৈকে মাটিখিনি ভালদৰে তিতি যোৱাকৈ মিহলাই ল'ব লাগে।
৪) তাৰ পিছত ভেটিটো দুদিনৰ বাবে পলিথিন অথবা মৰাপাটৰ বস্তাৰে ঢাকি ৰখা উচিত।
৫) দুদিনৰ পিছত ভেটিৰ আৱৰণ আঁতৰাই মাটিডোখৰ কোৰ মাৰি ৩-৪ দিনৰ বাবে মুকলি কৰি ৰাখিব লাগে। বৰষুণৰ বতৰত ওপৰত ছালিৰ ব্যৱস্থা কৰিব লাগে।
৬) পুলিবাৰীত সিঁচিব লগা বীজবোৰ কেপটাফ অথবা বেভিষ্টিন ঔষধেৰে (১ কিঃগ্ৰাঃ বীজৰ বাবে ৩ গ্ৰাম ঔষধ) শোধন কৰিব লাগে যাতে বীজত থকা বেমাৰৰ বীজাণুবোৰ নাশ হয়।
৭) বীজ সিঁচাৰ আগতে ভেটিৰ মাটিখিনি পোক-পৰুৱাৰ পৰা মুক্ত কৰিবৰ বাবে প্ৰতি বৰ্গমিটাৰ মাটিত ১০ গ্ৰাম ৫ শতাংশ শক্তিৰ মালাথিয়ন পাউদাৰ মিহলাই ল'ব লাগে।
৮) তাৰ পিছত শোধন কৰা বীজখিনি পুলিবাৰী ভেটিত হয় মুক্তভাৱে নহয় ১-২ ছেঃমিঃ দকৈ ২৫ ছেঃমিঃ আঁতৰত শাৰী শাৰীকৈ সিঁচি দিব লাগে।
৯) বীজ সিঁচাৰ পাছত বীজখিনি পৰিষ্কাৰ পচন সাৰ অথবা শুকান গোবৰৰ গুড়ি আৰু বালিৰে ঢাকি এডাল ঘূৰণীয়া কাঠেৰে সমান কৰি দিব লাগে।
১০) ভেটিৰ ওপৰভাগ তিতি যোৱাকৈ সম পৰিমাণে পানী দিব লাগে। পিছত ভেটিবোৰ কলপাতেৰে বীজ নগজালৈকে ঢাকি ৰাখিব লাগে। পুলি গজি উঠাৰ পিছত ৰাতিপুৱা অথবা আবেলি এবাৰকৈ পাতলীয়াকৈ পানী যোগান ধৰিব লাগে।

*(৪ পৃষ্ঠাৰ ৩ কলমত চাওক)*

# মাহটোৰ কৃষিকৰ্ম

১৬ চ'তৰ পৰা ১৫ বহাগ, ১৯৪৫-৪৬ শক

## পথাৰ শস্য

**বাওধান ঃ**

১। বাৰিষাকালত ১ মিটাৰ বা ততোধিক গভীৰতাৰ পানী থকা মাটিত বাওধানৰ খেতি কৰা হয়। এইখিনিতে উল্লেখ কৰা ভাল যে উত্তৰ পাৰ সমভূমি সংমণ্ডলৰ বাবে অনুমোদিত পদ্মপানি, পানীন্দ্ৰ, আৰু পদ্মনাথ এই জাত কেইটা বৰ্ণ সংকৰ আৰু অধিক উৎপাদনক্ষম। ইয়াৰ ভিতৰত পদ্মপানী নামৰ বাওধানবিধ ১৮৫ দিনতে চপাব পৰা হয় বাবে "উফ্ৰা" বেমাৰৰ পৰাও হাত সাৰিব পাৰি।

২। ফাগুণ - চ'ত মাহতে বাওধানৰ বীজ সিঁচিব লাগে। আগৰ শস্যৰ নৰা আৰু মূঢ়াবিলাক জুই জ্বলাই পুৰি পেলাব লাগে। এনে কৰিলে কৃমি আৰু অন্যান্য পোক-পৰুৱাৰ পৰা বহু পৰিমাণে হাত সাৰিব পাৰি। বীজ সিঁচাৰ আগতে বিঘাই প্ৰতি ১০ কিলোগ্ৰাম হিচাবে নিম আৱৰিত ইউৰীয়া ছটিয়াই মাটিৰ লগত মিহলাই দিব। (নিম আৱৰিত ইউৰীয়া, ৫০ কিঃ গ্ৰাঃ ইউৰীয়াৰ লগত ৫০০ মিঃ লিঃ নিমতেল মিহলাই তৈয়াৰ কৰিব পাৰি।) প্ৰয়োগ কৰাৰ আগতে মিশ্ৰণটো হালধীয়া বৰণৰ নোহোৱা পৰ্য্যন্ত এখন ডাঠ পলিথিন কাগজৰ ওপৰত মেলি থব লাগে।

৩। ওপৰিঞ্চি ১০ কিঃগ্ৰাঃ নিম আৱৰিত ইউৰীয়া ধানে পোখা মেলাৰ সময়ত প্ৰয়োগ কৰিব।

৪। বাওধানৰ খেতি একক শস্য নাইবা আহুধানৰ লগত মিশ্ৰিত খেতি হিচাবে কৰিব পাৰি। মিশ্ৰিত খেতি কৰিলে ৮ কিঃ গ্ৰাঃ আহুধানৰ লগত ২ কিঃ গ্ৰাঃ বাওধান মিহলাই এবিঘা মাটিত সিঁচিব লাগে। কেৱল বাওধানৰখেতি কৰিলে এবিঘা মাটিত ১০ কিঃগ্ৰাঃ বীজ ব্যৱহাৰ কৰিব।

৫) বাওধানৰ বীজ নিৰ্বাচন আৰু শোধন আহু নাইবা শালিধানৰ ক্ষেত্ৰত অৱলম্বন কৰা পদ্ধতিকে অনুসৰণ কৰিব।

**আহু ধান ঃ**

১) আহুধানৰ কঠীয়া পথাৰত ৰোৱাৰ পৰা ২৫-৩০ দিন হ'লে প্ৰথমবাৰ নাইট্ৰ'জেনযুক্ত সাৰ টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব লাগে। চাপৰ জাতৰ আহুধানৰ ক্ষেত্ৰত বিঘাই প্ৰতি ৪ কিঃ গ্ৰাঃ আৰু ওখ জাতৰ ক্ষেত্ৰত ২ কিঃ গ্ৰাঃ হিচাবে প্ৰয়োগ কৰিব। অলাগতিয়াল ঘাঁহ-বনবিলাক সময়মতে নিৰণি কৰি দিব।

২) এই সময়ছোৱাত পথাৰত যাতে যথেষ্ট জীপ থাকে তালৈ লক্ষ্য ৰাখিব। জলসিঞ্চনৰ ব্যৱস্থা থাকিলে মাটি শুকাই যোৱাৰ আগতে পানী যোগান ধৰিব। ধানৰ পোখা মেলা আৰু মণি ধৰাৰ পৰা ফুল মেলালৈকে এই সময়ছোৱা পানীৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আটাইতকৈ জটিল সময়।

৩) ধানত ফুল ফুলাৰ পৰা মণি ধৰাৰ সময়তে দ্বিতীয়বাৰ ৪ কিঃ গ্ৰাঃ ইউৰীয়া টপড্ৰেচিং কৰিব। থলুৱা ধানৰ ক্ষেত্ৰত ২ কিঃ গ্ৰাঃ ইউৰীয়া টপড্ৰেচিং হিচাবে প্ৰয়োগ কৰিব।

**কুঁহিয়াৰ ঃ**

১। বহাগ মাহত কুঁহিয়াৰ ৰুলে গজালি ওলোৱা আগহে ৰুব। নহলে শিপা ওলাই পোখা মেলোতে সময় লব আৰু কুঁহিয়াৰ সময়মতে পূৰঠ নহব।

**২। সাৰ প্ৰয়োগ ঃ**

| সাৰৰ নাম | কিঃ গ্ৰাঃ (বিঘাই প্ৰতি) |
|---|---|
| ইউৰীয়া | ৪০ |
| একক চুপাৰ ফচফেট | ৬০ |
| মিউৰেট অৱপটাছ | ১৫ |
| অন্যথা যদি ডিএপি প্ৰয়োগ কৰে - | |
| ইউৰীয়া | ৩৪ |
| ডিএপি | ২০ |
| মিউৰেট অৱপটাছ | ১৫ |

**৩। সাৰ প্ৰয়োগৰ সময় আৰু পদ্ধতিঃ**

সমুদায় ফচফৰাচ আৰু পটাচৰ আধা অংশ ৰোৱাৰ আগতে খলত প্ৰয়োগ কৰি মিহলাই লব। ইউৰীয়া ১/৩ ভাগ আগ ৰোৱাৰ সময়ত আৰু বাকীখিনি প্ৰথমবাৰ মাটি চপাওতে প্ৰয়োগ কৰিব। থাকি যোৱা পটাচখিনি ইউৰীয়া টপড্ৰেচিং কৰোতে প্ৰয়োগ কৰিব। ৰোৱাৰ ১০০ দিনৰ ভিতৰত সাৰ প্ৰয়োগ সম্পূৰ্ণ কৰিব।

৪। গা-গছ বা আগ বিন্ধোৱা আৰু মজাখোৱা পোকে আক্ৰমণ কৰা গছবিলাক উভালি পুৰি পেলাব।

**মূঢ়া কুঁহিয়াৰ ঃ**

১। কুঁহিয়াৰৰ কটাৰ পিচত তলী ডৰা ভালদৰে পৰিস্কাৰ কৰি কোৰেৰে ভেটি বিলাক ভাঙি দিব লাগে। শাৰীৰ মাজৰ খালি ঠাই বিলাকত গঁজালি মেলা নতুন আগ ৰুই পুৰ কৰি দিব।

২। ভেটিবিলাক ভঙাৰ পিচতে গোবৰ নাইবা পচন সাৰ মূঢ়াবিলাকত প্ৰয়োগ কৰিব। ইয়াৰ পিচতে প্ৰতি বিঘা তলীত ৪৫ কিঃ গ্ৰাম ইউৰীয়া, ৬০ কিঃ গ্ৰাম একক চুপাৰ ফচফেট আৰু ১৫ কিঃ গ্ৰাম মিউৰিয়েট অৱ পটাছ এবাৰত নাইবা ৬০ দিনৰ ভিতৰত দুবাৰ টপড্ৰেছিং হিচাবে প্ৰয়োগ কৰিব।

**ড° ৰণজিৎ কুমাৰ সাউদ**

## উদ্যান শস্য

এই সময়ত কৃষকসকলে ফল-মূলৰ বাগিচাত ল'বলগীয়া পৰিচৰ্য্যাসমূহ এনেধৰণৰ -

**কল ঃ** নতুনকৈ কলৰ বাৰী পাতিবৰ বাবে মাটি ডোখৰ চাহ কৰি কলৰ জাত অনুযায়ী নিৰ্দ্দিষ্ট দূৰত্বত গাঁত খন্দাৰ ব্যৱস্থা কৰক আৰু মাহটোৰ শেষৰ ফাললৈ পুলি ৰোৱা কাম আৰম্ভ কৰিব পাৰে। পুৰণা কলৰ বাৰী মাটিত জীপ ৰাখিবলৈ ৮-১০ দিনৰ মূৰে মূৰে পানী দিয়াৰ ব্যৱস্থা কৰক। বৰষুণ পৰিলে পানী দিয়াৰ ব্যৱস্থা কৰিব নেলাগে। কল গছৰ গাত থকা শুকান পাত বা পচা পটুৱাবোৰ আঁতৰাই পেলাওক। কলডিল ওলোৱা গছৰ গুৰিত এটা মাত্ৰ পোখা পুলি ৰাখিব লাগে।

**নাৰিকল ঃ** নাৰিকল গছৰ গুৰিৰ মাটিত জীপ ৰাখিবৰ বাবে প্ৰতি ১২-১৫ দিনৰ মূৰত পানী দিয়াৰ ব্যৱস্থা কৰক। পানী যোগান ধৰাৰ পিচত গছৰ চাৰিওফালে মাটিত ধানখেৰ বা মেটেকা আদি জাপি দিলে মাটিৰ জীপ ৰখাত সহায় হয়। গছৰ গুৰিত সৰহ পৰিমাণে পচন সাৰ বা শুকান গোবৰ প্ৰয়োগ কৰিলে মাটিয়ে পানী ধৰি ৰখাত সহায় হয়। যোৱা মাহত যদি কৰা নহ'ল, তেন্তে গছত থকা শুকান পাত বা শুকান থোৰাৰ বখোৰাবোৰ বা শুকাই যোৱা ফুলৰ থোকবোৰ কাটি আঁতৰাই আনক আৰু তলৰ পাতবিলাকৰ গুৰিত জমা হৈ থকা শুকান ফুল বা ঘুগুলাবোৰ আঁতৰাই পৰিষ্কাৰ কৰক। নতুনকৈ নাৰিকলৰ বাৰী পাতিবলৈ হ'লে মাটি ডোখৰ চহাই নিৰ্দ্দিষ্ট দূৰত্বত (২৫ ফুট X ২৫ ফুট) একোটাকে গাঁত খান্দক। পাচত গাঁতবোৰত খেৰ বা শুকান পাত আদি ৰাখি পুৰি পেলাওক।

**তামোল ঃ** বাৰীৰ পৰা শুকান পাতবোৰকে ধৰি বন-বাতবোৰ আঁতৰাই চাফা কৰি ৰাখক। তামোল গছৰ গুৰি মাটিত জীপ ৰাখিবৰ বাবে প্ৰতি ১০-১২ দিনৰ অন্তৰত পানীৰ যোগান ধৰক। যোৱা বছৰ (বহাগ-জেঠ মাহত) ৰোপণ কৰা নতুন পুলিবোৰৰ গুৰিত গোবৰ সাৰ দি মাটি চপাই দিয়ক। নতুনকৈ বাৰী পাতিবলৈ হ'লে মাটি ডোখৰ চাহ কৰি ৯ ফুট X ৯ ফুট দূৰত্বত একোটাকৈ গাঁত খান্দি গাঁতবোৰ শুকান পাত বা খেৰ আদি দি পুতি দিয়ক।

**মাটিকঠাল ঃ** নতুনকৈ বাৰী পাতিবৰ বাবে ওখ চানেকীয়া মাটি বাছনি কৰি হাল-কোৰ মাৰি মাটিডৰা চাহ কৰি ৰাখক। পুৰণি বাৰীত অতি খৰাং বতৰত পানীৰ যোগান ধৰক। বেলেগে থুপ পাতি ৰখা পোখা পুলি বা মুকুট পোখা ক্ৰাউন আদিত পানীৰ যোগান ধৰি পুলিখিনি সজীৱ কৰি ৰাখক। সুবিধা বুজি

*(৪ পৃষ্ঠাৰ ১ কলমত চাওক)*

পুৰণি গছৰ গুৰিৰ পৰা বন-বাতবোৰ নিৰাই দিয়ক।

**নেমুটেঙা ঃ** গছৰ গুৰিৰ মাটিত যাতে জীপ থাকে তালৈ মন কৰক। গছত থকা পুৰঠ ফলবোৰ ততাতৈয়াকৈ চপাইদিয়ক। এইসময়ত গছত ফুলৰ কলি ওলাই আৰু কিছুমানত ফুল ফুলিবলৈ ধৰে, লগে লগে কোঁহ পাত ওলাবলৈ ধৰে। গতিকে গছত পোক বা বেমাৰৰ নিৰাময়ৰ কাৰণে কোনো ঔষধ নছটিয়াব। গছৰ পৰা শুকান ডালবোৰ কাটি দিয়ক। গছৰ গুৰিত ২-৩ ফুট ওপৰলৈ এটা চূণ প্রলেপ দিয়ক।

**আম ঃ** এইসময়ত আম গছত ফুল ওলাবলৈ ধৰিছে। গতিকে গছৰ তলত ধোঁৱা দিয়াৰ ব্যৱস্থা কৰক যাতে ফুলৰ থোপাবোৰত পোকে আক্রমণ কৰিব নোৱাৰে। ফুল ফুলাৰ সময়ত গছত পোক বা বেমাৰৰ বাবে ঔষধ ছটিয়াব নেলাগে। মাটিত যথেষ্ট পৰিমাণে জীপ থাকিলে অনুমোদিত পৰিমাণৰ সাৰ আৰু গোবৰ প্রয়োগ কৰক। গছৰ গুৰিত ৰ মিটাৰ ওপৰলৈ চূণৰ প্রলেপ দিয়ক।

**লিচু ঃ** লিচু গছতো এইসময়ত ফুল ফুলিবলৈ ধৰাৰ বাবে পোক বা বেমাৰৰ বাবে ঔষধ নছটিয়াব। মাটিত জীপ থাকিলে অনুমোদিত পৰিমাণৰ সাৰ আৰু গোবৰ প্রয়োগ কৰক। গছৰ গুৰিত ১ মিটাৰ ওপৰলৈ চূণৰ প্রলেপ দিয়ক।

**জালুক ঃ** গছৰ গুৰিত সাৰুৱা মাটি জাপি দিয়ক। জালুক জোপাৰ গুৰিৰ ৩ ফুট অংশ ডাল বা লটি নোহোৱাকৈ ৰাখক। তললৈ ওলমি যোৱা লতাবোৰ ওপৰলৈ তুলি আশ্রয়কাৰী গছত বগাই যাব পৰাকৈ বান্ধি দিয়ক। যদি পাতত টেমুনা পোকে আক্রমণ কৰিছে তেন্তে দশমিক এক শতাংশ শক্তিৰ মালাথিয়নৰ মিশ্রণ ছটিয়াওক।

**মধুৰি আম ঃ** ফল নধৰা আৰু আগৰ পৰা শুকাইঅহা ডালবোৰ কাটি দিয়ক। গছৰ তলৰ মাটিখিনিত পাতলীয়াকৈ কোৰ মাৰক। পূৰঠ হ'ব ধৰা ফলবোৰ চিঙি আনক। নতুনকৈ পুলি ৰোৱাৰ বাবে কোৰ মাৰি মাটি ডোখৰ চহাই ৭-৮ মিটাৰ আঁতৰে আঁতৰে একোটা গাঁত খান্দক।

**ড° ৰাজেন্দ্র প্রসাদ দাস**
(অৱসৰী অধ্যাপক, অঃকৃঃবিঃ)

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## খীৰতী পশুধনৰ ওহাৰ ..

বয়স, ওজন আদিৰ ওপৰত নির্ভৰ কৰি বেলেগ বেলেগ হয়। সেয়া নজনাকৈ যিকোনো ঔষধ যিকোনো পৰিমাণত প্রয়োগ কৰিলে পশুধনৰ আকস্মিক মৃত্যুও হ'ব পাৰে। গতিকে বেমাৰৰ লক্ষণ দেখা পোৱাৰ লগে লগে পশুচিকিৎসকৰ পৰামর্শ লৈহেপশুধনৰ চিকিৎসা কৰিব লাগে।

মেষ্টাইটিছৰা ওহাৰৰ প্রদাহ হ'ল এনে এক ব্যাধি যাৰ কোনো ভেকচিন বা টিটা নাই। গতিকে এই ৰোগ নহ'বৰ বাবে প্রতিৰোধৰ ব্যৱস্থা হাতত লোৱাহেবাঞ্চনীয়। গতিকে যিবিলাক কাৰণত এই ৰোগ হয়-সেইকাৰণসমূহ সাৱধানতাৰে আঁতৰ কৰিলে পশুটিৰ স্বাস্থ্য সুনিশ্চিত কৰিব পাৰি। এনে কিছুমান আৱশ্যকীয় কাম তলত উল্লেখ কৰা হ'ল-

১) গোহালিৰ মজিয়াখন শুকান আৰু পৰিষ্কাৰ কৰি ৰাখিব লাগে।
২) পশুধনৰ শৰীৰটোও পৰিষ্কাৰ কৰি ৰাখিব লাগে।
৩) গাখীৰ খিৰোৱা ব্যক্তিজনেও পৰিষ্কাৰ পৰিচ্ছন্নতা অৱলম্বন কৰিব লাগে।
৪) গাখীৰ খিৰোৱাৰ আগত আৰু পিছত খিৰাওতাজনে চাবোনেৰে ভালকৈ হাত ধুব লাগে।
৫) প্রত্যেক দিনা পৰাপক্ষত একে সময়তে গাখীৰ খিৰাব লাগে।
৬) অসুস্থতাৰ লক্ষণ দেখা পোৱাৰ লগে লগে, নিলগাই ৰাখি চিকিৎসাৰ দিহা কৰিব লাগে।
৭) যদি মিল্কীং মেচিনৰ সহায়ত গাখীৰ খিৰোৱা হয়, তেন্তে এই মেচিন প্রত্যেক দিনে ভালকৈ ধুই বীজাণু নাশন কৰিব লাগে।
৮) গাখীৰ খিৰোৱাৰ পিছতেই গাইজনীক খাদ্য খাবলৈ দিব লাগে।
৯) প্রত্যেকবোৰ খীৰোৱাৰ পাছত ওহাৰৰ বাটকেইটা বীজাণুনাশক ঔষধ যেনে পটাছ, পাৰক্লোৰাইড, ক্ল'ৰ'হেক্সিডিন আদিত ডুবাব লাগে বা স্প্রে কৰিব লাগে।
১০) যিবোৰ গাইগৰুবহুত দিনৰ পৰা ক্রনিক মেষ্টাইটিছত ভূগি আছেবা গাখীৰ উৎপাদন কৰিবলৈ এৰি দিছে, তেনে গৰুক ততালিকে পামখনৰ পৰা আঁতৰ কৰিব লাগে।
১১) পুষ্টিকৰ খাদ্য যোগান ধৰিব লাগে।
১২) সময়ে সময়ে পশুধনসমূহৰ স্বাস্থ্য পৰীক্ষা কৰি থাকিব লাগে।
১৩) গাইজনীক অতি গৰম, অতি শীত আদিৰ পৰা হোৱা চাপৰ লগতে অন্য সকলো ধৰণৰ চাপৰ পৰা মুক্ত কৰি ৰখা উচিত।
১৪) গাইজনীক শুবলৈ পাৰি দিয়া খেৰ আদি দৈনিক সলাই থাকিব লাগে।
১৫) গোহালিৰ মজিয়াখন শুকান কৰি ৰাখিব লাগে।
১৬) প্রসৱৰ সময়ত দেখা দিয়া অসুবিধাবোৰ দূৰ কৰিবলৈ খৰতকীয়াকৈ ব্যৱস্থা ল'ব লাগে।
১৭) পামখনলৈ/জাকটোলৈ নতুনকৈ অহা পশুধনটিক কিছুদিন নিলগাই ৰাখি তাৰ পাছতহে জাকটোত/পামখনত সন্মিলিত কৰিব লাগে।

মেষ্টাইটিছ হ'লে উৎপাদিত গাখীৰ মানুহৰ খোৱাৰ বাবে অনুপযোগী হৈ পৰে। ইয়াৰ ফলত গাখীৰ পেলাই দিব লগা হয়। পেলনী যোৱা গাখীৰৰ পৰিমাণ, হঠাৎ কমি যোৱা দুগ্ধ উৎপাদন, চিকিৎসাৰ ব্যয়, ক্রনিক মেষ্টাইটিছৰ বাবে ওহাৰখন টান হৈ সম্পূর্ণ নষ্ট হৈ যোৱা আৰু কোনো কোনো ক্ষেত্রত গাইজনীৰ মৃত্যু হোৱা আদি সমস্যাই গো-পালকৰ কঁকাল ভাঙি দিয়ে বুলি ক'ব পাৰি। কোনো কোনো ক্ষেত্রত গাইজনী সুস্থ হৈ উঠিলেও নিম্নমানৰ গাখীৰ আৰু গাখীৰত থাকি যোৱা এন্টিবায়টিকৰ অংশাৱশেষৰ কাৰণে উৎপাদিত গাখীৰ বহু দিনলৈ খোৱাৰ বাবে অনুপযোগী হৈ থাকে। গতিকে এই মাৰাত্মাক ৰোগৰ পৰা উচিত প্রতিপালনৰ জৰিয়তে ৰক্ষা পাই থাকিব পাৰিলেহে গোপালন কৰি স্বাৱলম্বী হ'ব পৰা যাব বুলি আশা কৰিব পাৰি।

**ড° পল্লৱী দেৱী**

(৩ পৃষ্ঠাৰ ১ কলমৰ পৰা)

## উদ্যান শস্য নাৰ্চাৰীৰ ...

১১) বৰষুণ আৰু টান ৰ'দৰ পৰা হাত সাৰিবলৈ ভেটিৰ ওপৰত ছালিৰ ব্যৱস্থা কৰিব লাগে।
১২) পুলিবিলাকৰ বয়স যেতিয়া ২৫-৩০ দিন হয়, তেতিয়া স্বাস্থ্যৱান, নিপোতল পুলিবিলাক উভালি বজাৰলৈ নিব লাগে অথবা মূল পথাৰত ৰোপণ কৰিব লাগে।
১৩) পুলিবাৰীৰ পৰা পুলি উভলাৰ প্রায় ৭ দিন মান আগৰে পৰা পানীৰ পৰিমাণ লাহে লাহে কমাই আনিব লাগে যাতে পুলিবিলাক কঠিন হয় আৰু তেতিয়া পুলিবিলাক মূল পথাৰলৈ নিয়াৰ পিছত সততে নমৰে।
১৪) পুলিবাৰীৰ পৰা পুলি উঠোৱাৰ আগতে পুলিৰ ভেটিতো পানীৰে তিয়াই ল'ব লাগে যাতে পুলিবিলাক উভালি অনাত সুবিধা হয়।

অসমত নাৰ্চাৰী উদ্যোগৰ প্রসাৰৰ প্রচুৰ সম্ভাৱনা আছে। ইয়াৰ গাতে ভেজা দি আন কেতবোৰ সৰু সুৰা উপ-উদ্যোগ সংযোজিত কৰি কর্ম সংস্থাপন কৰিব পৰা যায়। এটা সুস্থ, সৱল নিৰোগী পুলিৰ পৰাহে আমি আশা কৰা মতে উৎপাদন পাব পাৰো। কোনো বিজ্ঞ লোকে কৈছে -"বাই গুণে ভিনিহী, কঠীয়া গুণে কৃষি" অর্থাৎ পুলি ভাল হ'লেহে খেতি ভাল হ'ব। (পুনৰ প্রকাশিত)

**শ্রীহিমাদ্রী শেখৰ দত্ত**

(১ পৃষ্ঠাৰ ২ কলমৰ পৰা)

## মূল্য সংযোজন আৰু ...

কৰি কেনেদৰে তাক দীর্ঘদিন ধৰি সংৰক্ষণ কৰি ৰাখিব পাৰি তাৰ ওপৰত প্রশিক্ষণ দিয়া হয়। প্রায় ২৫ গৰাকী মহিলাই অংশগ্রহণ কৰা এই প্রশিক্ষণৰ সামৰণী অনুষ্ঠানত মুখ্য অনুসন্ধানকাৰী প্রফেচৰ অভিজিৎ বৰা আৰু কনিষ্ঠ বিজ্ঞানী ৰঞ্জনা ডেকাৰ উপস্থিতিত প্রশিক্ষাৰ্থীৰ সকলক মান-পত্র প্রদান কৰা হয়।

(১ পৃষ্ঠাৰ ৪ কলমৰ পৰা)

## ব্যৱসায়িকভিত্তিক নাৰ্চাৰী

গৱেষণা কেন্দ্ৰৰ প্রধান বিজ্ঞানী ড° ডালিম পাঠক, ড° সুনীল কুমাৰ বৰা, ড° জয়ন্ত কুমাৰ শর্মাৰ লগতে জ্যেষ্ঠ বিজ্ঞানী ড° সীমা ভাগৱতী আৰু নাছিমা ৰহমান সমল ব্যক্তি হিচাবে উপস্থিত থাকে। এই অনুষ্ঠানত বীজতলী প্রস্তুত, বেমাৰমুক্ত পুলিবাৰী স্থাপন, মাটিৰ প্রতিপালন, ফুল আদিৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। তাৰোপৰি নেমুত পত্র কলম, আমত ডালধৰা কলম, কমলাত কলিকলম, লিচুত বায়বকলম, সাৰ দিয়া পদ্ধতি, উলম্ব বাগিছা আদিৰ বিভিন্ন দিশত হাতে-কামে দেখুওৱাৰ লগতে প্রশিক্ষাৰ্থীসকলক মা-কামাখ্যা নাৰ্চাৰী পৰিদর্শন কৰোৱা হয়। এই প্রশিক্ষণত কেন্দ্রটোত উৎপাদিত বীজহীন কাজিনেমুৰ পুলি বিতৰণ কৰা হয়। প্রশিক্ষণৰ সামৰণি অনুষ্ঠানত মহকুমা কৃষি বিষয়া (উদ্যান শস্য) গিৰীন্দ্রনাথ শর্মা উপস্থিত থাকি নাৰ্চাৰীৰ আঁচনি আৰু আনুসংগিক বিষয় সম্পর্কে অৱগত কৰোৱাৰ লগতে প্রশিক্ষাৰ্থীসকলক মানপত্র বিতৰণ কৰা হয়।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## টৰিয়া-সৰিয়হৰ পথাৰ ...

গোসাইগাঁও, ডিফু, কৰিমগঞ্জ আৰু মন্দিৰাত অৱস্থিত গৱেষণা কেন্দ্র সমূহৰ ওপৰিও ধেমাজি, যোৰহাট, বাক্সা, ধুবুৰী, চিৰাং, নলবাৰী, বৰপেটা, দৰং, মৰিগাঁও আৰু শোণিতপুৰত অৱস্থিত কৃষি বিজ্ঞান কেন্দ্র সমূহৰ জৰিয়তে সম্পাদন কৰা হৈছে। ইয়াৰে অংশৰূপে নঁগাও জিলাৰ শেনছোৱা-হালধীআটি- কুমাৰগাঁও আদি অঞ্চলক সামৰি গঢ়ি তুলিব বিচৰা তৈলবীজ গাওঁত অনুষ্ঠিত এই পথাৰ দিৱস কার্যসূচীত অসম চৰকাৰৰ নগাঁও জিলাৰ মহকুমা কৃষি বিষয়া অসীম পাঠকে সভাপতিত্ব কৰাৰ লগতে মহকুমা কৃষি বিষয়া(মৰাপাট) মফিদুৰ ৰহমান আৰু এন এফ এচ এমৰ ৰাজ্যিক পৰামর্শদাতা ড° অৰুনিমা দেৱচৌধুৰীয়ে বিশিষ্ট অতিথিৰ ভাষণ প্রদান কৰাৰ উপৰিও মাণ্ডলিক গৱেষণা কেন্দ্র, চিলঙনীৰ মুখ্য বিজ্ঞানী ড° পংকজ কুমাৰ দেৱচৌধুৰী আৰু ড° প্রশান্ত ভঁৰালীয়ে চমু বক্তব্য ৰাখে। মাণ্ডলিক গৱেষণা কেন্দ্র, চিলঙনী বিজ্ঞানী ড° ৰুদ্র নাৰায়ণ বৰকাকতিয়ে আঁতধৰা এই সভাখনিৰ সদৌশেষত ড° বিনোদ কলিতাই শলাগৰ শৰাই আগবঢ়ায়। উদ্যোগী কৃষক তপন বৰুৱা আৰু মুকুতা শইকীয়াক এই সভাতেই তেওঁলোকৰ কর্মৰাজীৰ বাবে ভূঁয়সী প্রশংসা কৰে। তদুপৰি পথাৰ পৰিদর্শন আৰু খেতি চপোৱাৰ পাচত কৃষক-বিজ্ঞানীৰ এক অন্তৰংগ আলাপেৰে পথাৰ দিৱস অনষ্ঠানৰ সামৰণি মৰা হয়।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## ৰাষ্ট্রীয় সাজ-পাৰ দিৱস ...

নিজে প্রস্তুত কৰা সাজ-পাৰৰ প্রতিযোগিতাও অনুষ্ঠিত কৰাৰ লগতে থলুৱা সাজ-পাৰ প্রদর্শনৰো ব্যৱস্থা কৰা হয়। গাঁৱৰ মহিলাসকলক থলুৱা বস্ত্র উৎপাদন আৰু ব্যৱসায়িকভাৱে আগবাঢ়ি যাবলৈ উৎসাহিত কৰাৰ উদ্দেশ্য উদযাপন কৰা এই অনুষ্ঠানটোৰ উদ্যোক্তা বস্ত্র আৰু সাজপাৰ ৰূপাংকণ বিভাগৰ ছাত্রী ৰিতুর্পণা মৰাণে জানিব দিয়ে তেওঁলোকে গাওঁখনত বস্ত্র আৰু সাজপাৰ ৰূপাংকণৰ দিশত গাঁৱৰ লোকসকল স্বাৱলম্বী হ'ব পৰাকৈ বিভিন্ন প্রশিক্ষণ দি আহিছে আৰু অনাগত দিনলৈকে এই ক্ষেত্রত কাম কৰি যাব।

(১ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## ডোগৰমোখাক আই চি টি

কৃষকৰ মাজত দক্ষতা আৰু জ্ঞান উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্থানীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত গ্রাহকৰ উচ্চ চাহিদাৰ সৈতে লাভজনক আৰু বজাৰমুখী মূল্য সংযোজিত সামগ্রী উৎপাদন কৰিবলৈ উপস্থিত ৰাইজক উৎসাহিত কৰে। ড° ৰাভাই উচ্চ পুষ্টিকৰ পৰম্পৰাগত খাদ্য সামগ্রীৰ উৎপাদন, বিপণন আৰু প্রক্রিয়াকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি গুণগত মান বজাই ৰাখিবলৈ সকলোকে আহ্বান জনায়। কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড°পল্লৱী ডেকাই অনলাইনযোগে উপস্থিত থকা মহিলা কৃষকসকলে উত্থাপন কৰা প্রশ্নসমূহৰ উত্তৰ দি বিভিন্ন কৃষি কার্যকলাপৰ সৈতে জড়িত বিষয়সমূহ যেনে শাক-পাচলি, শস্য আৰু ফুলৰ পোক-পৰুৱাৰ সমস্যা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্রণবেশ বর্মনে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট ব্যক্তি ৰাজ দৈমাৰী, ৰিপু দৈমাৰী, ইলিয়াছ দৈমাৰী, সুনিয়া মাহাও দৈমাৰীৰ লগতে দুইশতাধিক লোক উপস্থিত থাকে।

(২ পৃষ্ঠাৰ ৫ কলমৰ পৰা)

## পেট আৰু মুখ মণ্ডলৰ ..

**খ) মুখ মণ্ডলৰ ৰোগ ঃ**

**৩) মুখৰ দাগ ঃ**

◆মুখত বগা দাগ পৰিলে নেমু ৰসৰ লগত নিমখ অকণমান দি বগা পৰা ঠাইত সানিব লাগে।

**৪) স্মৰণ শক্তিহীনতা ঃ**

◆স্মৰণ শক্তি বৃদ্ধিৰ কাৰণে ব্রাহ্মী শাকৰ ৰস বা ইয়াক তৰকাৰী হিচাপে খাব লাগে।

◆বগা কোমোৰা তৰকাৰী হিচাপে খালে স্মৰণ শক্তি বৃদ্ধি হয়।

**৫) চকু ৰঙা পৰা বেমাৰঃ**

◆আমলখি থেতালি ৰস উলিয়াই ৩/৪ টোপাল মান চকুৰ কোণাত দিলে আৰাম পোৱা যায়।

**৬) দাঁতৰ বিষ ঃ**

◆মৰাণ আদা চোবাই তাৰ ৰস মুখত ৰাখি গিলিব লাগে।

◆বেতৰ কুমলীয়া গাঁজ জুইত সেকি বিষ হোৱা দাঁতেৰে কামুৰি ধৰি থাকিব লাগে। গাঁজটো ঠাণ্ডা হোৱাৰ লগে লগে পুনৰ সেকি আগৰ দৰে দাঁতৰ মাজত ভৰাই ৰাখিব লাগে।

**৭) এৰাঁ ভঙা ঃ**

◆পিয়াজ খুন্দি তাৰ ৰস নাকেৰে শুঙিব লাগে।

◆বিশল্যকৰণীৰ পাত খুন্দি নাকেৰে শুঙিলে তেজ পৰা বন্ধ হয়।

এনেদৰে আমাৰ সেউজপ্রকৃতিত সিঁচৰিত হৈ থকা সহজলভ্য গছ-গছনি, ফল-ফুল, তৰু লতা শিপা আদিৰ বিভিন্ন ঔষধি উপাদানসমূহৰদ্বাৰা আমাৰ শৰীৰৰ নানা ৰোগ-ব্যাধি নিৰাময় কৰিব পাৰি। ৰোগ নিৰাময়ৰ লগতে দেহৰ প্রয়োজনীয় খনিজ দ্রব্য আৰু ভিটামিনৰ অভাৱ পূৰণ কৰি দেহৰ ৰোগ প্রতিৰোধ ক্ষমতা বৃদ্ধিত যথেষ্ট অৰিহণা যোগায়।

**আৰাধনা বৰদলৈ**

**বছৰেকীয়া বৰঙণি ঃ** ১০.০০ টকা। **প্রতিখনৰ মূল্য ঃ** ১.০০ টকা। **প্রকাশৰ স্থান ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট - ১৩। সম্প্রসাৰণ শিক্ষা সঞ্চালক ড° মনোৰঞ্জন নেওগৰ দ্বাৰা প্রকাশিত আৰু প্রচাৰিত। অসম কৃষি বিশ্ববিদ্যালয় অফছেট ছপাশাল, যোৰহাট - ১৩ ত মুদ্রিত। **মুখ্য সম্পাদক ঃ** ড° ৰণজিৎ কুমাৰ সাউদ